অসমীয়া প্ৰতিদিন ১২/৭



কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৰাজনাথ সিঙে ক'লে

# এন আৰ চিক লৈ কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ একো কৰিবলগা নাই

এন আৰ চিৰ ভুৱা নথি-পত্ৰ যোগানকাৰী চক্ৰ উৎখাত আৰক্ষীৰ

# মঙলদৈত তিনিজন গ্ৰেপ্তাৰ, এজন পলাতক

**নকল ছীল-মোহৰ ভুৱা জন্মৰ প্ৰমাণপত্ৰ জব্দ**

প্ৰতিদিন সেৱা, সংবাদ, মঙলদৈ-দৰং-ওদালগুৰি, ১১ জুলাই ঃ সম্প্ৰতি ৰাজ্যখনত এন আৰ চিৰ উন্নীতকৰণৰ প্ৰক্ৰিয়া চলি থকাৰ সময়তে এচাম অসাধু চক্ৰই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে ভুৱা নথিপত্ৰ যোগানৰ ৰমৰমীয়া ■ ১৪ পৃষ্ঠাত



## মঙলদৈত তিনিজন গ্ৰেপ্তাৰ, এজন পলাতক

■ *প্ৰথম পৃষ্ঠাৰ পৰা* ব্যৱসায় চলাই অহাটো শেহতীয়াভাৱে মঙলদৈত পোহৰলৈ আহিছে। এনে ভুৱা নথিপত্ৰৰ ব্যৱসায়ে এন আৰ চিৰ উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোকে বাধাগ্ৰস্ত কৰি তুলিছে। মঙলদৈ সদৰ থানাৰ নগৰ শাখাৰ উপ-পৰিদৰ্শক ৰণজিৎ হাজৰিকাৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে কালি নিশা গোপন সূত্ৰৰ পম খেদি মঙলদৈ থানাৰ অন্তৰ্গত গেৰিমাৰী চাপৰিৰ নূৰ ৰহমানৰ পুত্ৰ জেহিৰুল ইছলাম, বাঘপৰি চাপৰিৰ ছফিকুল ইছলামৰ পুত্ৰ গোলাপ হুছেইন আৰু বাজিয়া চাপৰিৰ খবিৰুদ্দিন আহমেদৰ পুত্ৰ জফৰ আলীক উক্ত ভুৱা নথি যোগানৰ অপৰাধত নিজ নিজ ঘৰৰ পৰা আটক কৰে। আৰক্ষীৰ দলটোৱে উক্ত অভিযুক্ত যুৱক তিনিজনৰ পৰা বহু নকল ছীল-মোহৰ, জন্মৰ প্ৰমাণপত্ৰৰ লগতে আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে। উক্ত অভিযুক্ত যুৱক তিনিজনৰ আন এগৰাকী সংগী বান্দিয়া চাপৰিৰ মহিম আলী বৰ্তমানলৈ পলাতক অৱস্থাত আছে যদিও আৰক্ষীয়ে উক্ত যুৱকজনৰ লগতে ব্যৱহৃত কম্পিউটাৰটো বিচাৰ-খোঁচাৰ অব্যাহত ৰাখিছে। মঙলদৈ চহৰৰ মাজমজিয়াৰ এখন কম্পিউটাৰ প্ৰতিষ্ঠানৰ জৰিয়তে এনে ভুৱা নথিৰ ৰমৰমা ব্যৱসায় অব্যাহত ৰখা উক্ত দেশদ্ৰোহী চক্ৰটোৱে ভুৱা লিগেচী ডাটা যোগানৰ ক্ষেত্ৰতো আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। যোৱা প্ৰায় দুমাহৰ পৰা এনে ভুৱা নথি যোগান ধৰা চক্ৰটোৱে বিভিন্ন প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ জাল ছীল-মোহৰৰ জৰিয়তে জন্মৰ প্ৰমাণপত্ৰৰ লগতে বিভিন্ন নথি প্ৰদান কৰি অহাৰ সময়তে কিছুদিন পূৰ্বে বঞ্জিত মণ্ডল নামৰ লোক এজনক চাৰিখন জন্মৰ প্ৰমাণপত্ৰ বিক্ৰী কৰাৰ পিচতে গোপন সূত্ৰে অৱগত হৈ আৰক্ষীয়ে উক্ত যুৱক তিনিজনক আটক কৰিছে। আৰক্ষীৰ নিৰপেক্ষ তদন্ত অব্যাহত থাকিলে ৰৌ-বৰালিও যে জালত পৰিব এইটো নিশ্চিত।